# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ১৫ জানুৱাৰী ২০২১ চনত মছজিদ মোবাৰক,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰি চাহাবী হজৰত আলি (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান বৰ্দ্ধক ঘটনা সমূহৰ বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাছাহুদ তাউজ আৰু চুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত আলি (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনাৰ ধাৰাবাহিকতা আগৰে পৰাই চলি আহিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত হাচান (ৰাঃ)য়ে হজৰত আলি (ৰাঃ)ক প্ৰশ্ন কৰিছিল যে আপুনি মোক মৰম কৰেনে ? হজৰত আলি (ৰাঃ)য়ে উত্তৰ দিছিল হয়। হজৰত হাচান (ৰাঃ)য়ে আকৌ প্ৰশ্ন কৰিছিল যে আপুনি খোদা তা'লাক ভাল পায় নে ? হজৰত আলি (ৰাঃ)য়ে উত্তৰ দিছিল হয় ! ভাল পাওঁ। তেতিয়া হজৰত হাচান (ৰাঃ)য়ে কৈছিল-তেন্তে আপুনি দেখোন এক হিচাপে শিৰিকত লিপ্ত হৈ পৰিছে। শিৰিক তাকেই কয় যে খোদা তা'লাৰ সৈতে তাৰ প্ৰেমৰ মাজত বেলেগ কোনোবাক অংশীদাৰ পাতি লোৱা। হজৰত আলি (ৰাঃ)য়ে ইয়াৰ উত্তৰত কৈছিল-যেতিয়া তোমাৰ ভালপোৱা গৈ খোদা তা'লাক ভাল পোৱাৰ মাজত বাধাৰ সৃষ্টি কৰিব তেতিয়া মই তৎক্ষণাত তোমাক ভাল পাবলৈ এৰি দিম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আলি (ৰাঃ)য়ে যেতিয়া কোনো ডাঙৰ বিপদত পৰিছিল তেতিয়া তেখেতে এই দোৱা কৰিছিল, يَا كهيعص اِغْفِرْلِى অৰ্থাৎ কাফ,হা,ইয়া,আয়েন,চোৱাদ,মোক ক্ষমা কৰি দিয়া। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে কাফে আল্লাহ তা'লাৰ যথেষ্ট গুণাৱলীক সুচায়,হা হ'ল,হাদি গুণৰ কায়েম মকাম আৰু আয়ন জ্ঞান গুণৰ কায়েম মকাম আৰু চোৱাত ছাদিক গুণাৱলীৰ কায়েম মকাম। অৰ্থাৎ আল্লাহ তা'লাৰ ওচৰত এয়া প্ৰাৰ্থনা কৰে যে তুমিয়ে সত্য। তোমাক এই সকলোবোৰ গুণৰ দোহাই লাগে,মোক ক্ষমা কৰি দিয়া।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মুফাচ্ছিৰিণ সকলে হজৰত আলি (ৰাঃ)ৰ এটা ঘটনা এনেদৰে বৰ্ণনা কৰিছে যে তেখেত (ৰাঃ)য়ে এবাৰ নিজৰ চাকৰ এজনক মাতি আছিল,কিন্তু তেওঁ কোনো উত্তৰ (সহাৰি) দিয়া নাছিল। এখেত (ৰাঃ)য়ে বাৰে বাৰে মাতি আছিল তথাপি চাকৰজনে কোনো উত্তৰ দিয়া নাছিল। কিছু সময় পিছত সেই ল'ৰাজন হঠাতে আহি হজৰত আলি (ৰাঃ)ৰ সন্মুখত উপস্থিত হৈছিল। তেতিয়া এখেত (ৰাঃ)য়ে তেওঁক সুধিছিল যে মালিক ! তোমাৰ কি হৈছে, মই তোমাক ইমানবাৰ মতা সত্বেও তুমি কোনো সহাৰি নিদিলা। ল'ৰাজনে কৈছিল যে আচল কথা হ'ল এয়া যে আপোনাৰ কোমলতাৰ ওপৰত মোৰ বিশ্বাস আছে আৰু মই নিজকে নিজে আপোনাৰ শাস্তিৰ পৰা নিৰাপদ বুলি ভাৱো। সেয়ে মই আপুনি মাতি থকা সত্বেও উত্তৰ দিয়া

নাই। হজৰত আলি (ৰাঃ)য়ে ল'ৰাজনৰ কথাবোৰ ভাল পাইছিল আৰু তেওঁক মুক্ত কৰি দিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই ক্ষেত্ৰত যদি কোনো দুনিয়াদাৰ হ'লহেঁতেন তেন্তে সম্ভৱত ল'ৰাজনক শাস্তি দিলেহেঁতেন যে তই মোৰ কোমলতাৰ সুযোগ লৈ আছা। কিন্তু হজৰত আলি (ৰাঃ)য়ে তাক পুৰস্কৃত কৰিলে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে ৰছুলুল্লাহ (ছাঃ)ক কোনো এজন চাহাবীয়ে নিমন্ত্ৰণ কৰিছিল। তাতে আৰু অইন কিছুমান চাহাবাও নিমন্ত্ৰিত হৈছিল। যিসকলৰ মাজত হজৰত আলি (ৰাঃ)য়েও চামিল আছিল। কিন্তু হজৰত আলি (ৰাঃ) বয়সত আটাইতকৈ সৰু আছিল সেয়ে কেইজনমান চাহাবাই এখেত (ৰাঃ)ৰ লগত ধেমালি কৰি নিজে খেজুৰ খাই গুটিবোৰ হজৰত আলি (ৰাঃ)ৰ সন্মুখত ৰাখি থৈছিল। পিছত সেই চাহাবা কেইজনে ধেমালিত হজৰত আলি (ৰাঃ)ক কৈছিল-তুমি দেখোন গোটেই খেজুৰ খাই পেলাইছা-এয়া চোৱা সকলো খেজুৰৰ গুটিবোৰ তোমাৰ সন্মুখত পৰি আছে। তেতিয়া হজৰত আলি (ৰাঃ)ৰ মুখমণ্ডলত অলপ খংৰ ভাৱ ফুটি উঠিছিল আৰু সেই চাহাবা সকলৰ লগত তৰ্ক দিছিল যে আপোনালোকে মোৰ ওপৰত এয়া দোষ জাপি দি আছে বা বেয়া আচৰণ কৰি আছে। তেতিয়া হজৰত আলি (ৰাঃ)য়ে বুজি পাইছিল যে এয়া তেওঁলোকে মোৰ লগত ধেমালি কৰি আছে। যি তেওঁলোকে কৰিছে; ইয়াত মোৰ সুবিধা হৈছে যে মইয়ো ইয়াৰ উত্তৰ ধেমালিৰ সুৰতে দিব পাৰো। গতিকে হজৰত আলি (ৰাঃ)য়ে কৈছিল- আপোনালোকে দেখোন খেজুৰৰ গুটিবালকও খাই গৈছে- মই কিন্তু গুটিবিলাক ৰাখি থৈ গৈছো। এনেদৰে ধেমালিটো চাহাবা সকলৰ ওপৰতেই ওলটি পৰিছিল।

কোৰ-আন কৰীমত আদেশ দিয়া আছে যে ৰছুলুল্লাহ (ছাঃ)ৰ পৰা পৰামৰ্শ বিচৰাৰ আগতে ছাদকা আদায় দি লোৱা। যেতিয়া এই আদেশ নাযিল হৈছিল তেতিয়া হজৰত আলি (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল আৰু কিছু টকা ছাদকা হিচাপে আগবঢ়াই দি আবেদন জনাইছিল যে তেখেতে কিবা পৰামৰ্শ ল'ব বিচাৰে। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে অলপ আঁতৰত গৈ হজৰত আলি (ৰাঃ)ৰ সৈতে কথা পাতিছিল। কোনোবা এজন চাহাবীয়ে হজৰত আলি (ৰাঃ)ক সুধিছিল কি বিষয়ে আপুনি আঁ-হজৰত (ছাঃ)ৰ পৰামৰ্শ ললে ? হজৰত আলি (ৰাঃ)য়ে চাহাবী জনক উত্তৰ দিছিল যে বিশেষ একো বিষয়ে পৰামৰ্শ বিচৰা নাই, কিন্তু মই বিচাৰিছিলোঁ যে কোৰ-আন কৰীমৰ এই আদেশৰ ওপৰত আমল কৰা যাওঁক।

উম্মুল মোমিনিন হজৰত উম্মে ছালমা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই সাক্ষী দিওঁ যে মই ৰছুল কৰীম (ছাঃ)ক এয়া কওঁতে শুনিছো যিজনে আলিক ভাল পায় তেওঁ মোক ভাল পায় আৰু যিজনে মোক ভাল পায় তেওঁ আল্লাহ তা'লাক ভাল পায় আৰু যিজনে আলিৰ সৈতে হিংসা ৰাখে,তেওঁ মোৰ সৈতে হিংসা ৰাখে,আৰু যিজনে মোৰ সৈতে হিংসা ৰাখে তেওঁ আল্লাহৰ সৈতে হিংসা ৰাখে।

হজৰত আলি (ৰাঃ)য়ে কৈছে যে সেই সত্তাৰ কছম ! যিজনাই বীজ অংকুৰণ কৰে আৰু ৰূহৰ সৃষ্টি কৰে; নিশ্চয় উম্মি নবী (ছাঃ)ৰ মোৰ সৈতে প্ৰতিশ্ৰুতি আছিল যে মোৰ সৈতে কেৱল মোমিন সকলে ভাল পোৱা ৰাখিব আৰু কেৱল মুনাফিক সকলে মোৰ সৈতে হিংসা ৰাখিব। হজৰত আলি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মোক মাতি আনি কৈছিল যে তোমাৰ উদাহৰণ ঈছাৰ লগত মিলে, যাৰ লগত ইহুদী সকলে ইমান হিংসা কৰিছিল যে তেখেতৰ মাকৰ ওপৰত ঘৃণনীয় কলঙ্ক জাপি দিছিল। আনফালে ঈছাই সকলে হজৰত মছীহ (আঃ)ৰ প্ৰেমত ইমানেই বিভোৰ হৈ পৰিছিল যে এখেত (আঃ)ক এনেকুৱা মৰ্যাদাৰ অধিকাৰী বনাই লৈছিল যে যিটো তেখেতৰ প্ৰাপ্য নাছিল। আকৌ হজৰত আলি (ৰাঃ)য়ে কৈছিল,সাৱধান! মোৰ সম্পৰ্কে দুটা প্ৰকাৰৰ ধাৰণা ৰখা মানুহ ধ্বংসপ্ৰাপ্ত হ'ব। তাৰে এক প্ৰকাৰ সেই লোকসকল! যিসকলে মোৰ প্ৰেমত বিভোৰ হৈ মোক সেই মৰ্যাদাৰ স্থানত বহুৱাব,যিটো আচলতে মোৰ স্থান নহয়। দ্বিতীয় প্ৰকাৰ হ'ল সেই লোকসকল! যিসকলে মোক হিংসা

কৰিব আৰু শত্ৰুতাত লিপ্ত হৈ মোৰ ওপৰত কলঙ্ক জাপি দিব। হজৰত আলি (ৰাঃ)ৰ ওচৰত যেতিয়াই কোনো বাহিৰা ধন-মাল আহিছিল তেতিয়া সেইবোৰ তেখেতে বণ্টন কৰি দিছিল। তেখেত (ৰাঃ)য়ে কৈছিল-হে দুনিয়া যোৱা; মোৰ বাহিৰে অইন কাৰোবাক প্ৰবঞ্চনা কৰাগৈ। এখেত (ৰাঃ)য়ে সেইবোৰ ধনমালৰ পৰা নিজেও একো লোৱা নাছিল আৰু নিজৰ ঘনিষ্ঠ বন্ধু বা আত্মীয় স্বজনকও একো দিয়া নাছিল। এখেত (ৰাঃ)য়ে গৰ্ভনৰী আৰু পদবী আদি কেৱল ঈমানদাৰ আৰু সত্যবাদী লোককহে দিছিল।

ৰাৱী বৰ্ণনা কৰিছে যে হজৰত আলি (ৰাঃ)য়ে এটা চাবুক হাতত লৈ বজাৰলৈ গৈছিল আৰু লোকক আল্লাহৰ তাকৱা ধাৰণ কৰিবলৈ,সঁচা কথা ক'বলৈ,উত্তম বাবে বেচা-কিনা কৰিবলৈ, মাপ-জোখ সঠিক ভাৱে দিবলৈ উপদেশ দিছিল।

হজৰত মছীহ মওউদ (আঃ)য়ে নিজে দেখা এটা সপোনৰ বৰ্ণনা কৰোঁতে কৈছে যে মই দেখিলো যে মই হজৰত আলি কৰমুল্লাহ আজহিয়া হৈ গৈছো আৰু এটা খওৱাৰাজিৰ দলে মোৰ বিৰুদ্ধে মোৰ খিলাফতৰ বিৰোধীতা কৰি আছে। তেতিয়া মই দেখিলো যে ৰছুলুল্লাহ (ছাঃ)মোৰ ওচৰত আছে আৰু মৃদু স্বৰে কোমলতাৰে মোক কৈ আছে যে يَا عَلِي دَعْهُمْ وَأَنْصَارَهُمْ وَزِرَاعَتَهُمْ- অৰ্থাৎ হে আলি তেওঁলোকৰ সৈতে আৰু তেওঁলোকৰ সহায়কাৰী আৰু তেওঁলোকৰ খেতিৰ পৰা পৃথক হৈ যোৱা আৰু তেওঁলোকক এৰি দিয়া আৰু তেওঁলোকৰ পৰা মূখ ফিৰাই লোৱা।

এবাৰ আমিৰ মোৱাবিয়া জাৰাৰ ছওদাইক কৈছিল যে মোক হজৰত আলিৰ গুণাৱলী সম্পৰ্কে কোৱা। তেতিয়া তেওঁ কৈছিল-হে আমিৰুল মোমিনিন, মোক এই বিষয়ে ক্ষমা কৰিব। আমিৰ মুৱাবিয়া কৈছিল- তুমি ক'ব লাগিব। জাৰাৰ কৈছিল যদি তেনেকুৱাই হয় তেন্তে শুনক। খোদাৰ শপত! হজৰত আলি (ৰাঃ)অদম্য সাহসী আৰু তেজস্বী শক্তিৰ মালিক আছিল। কথাত চূড়ান্ত আৰু ন্যায় পৰায়ণতাৰে মীমাংসা কৰিছিল। তেখেত জ্ঞান আৰু মাৰুফতৰ স্ৰোতস্বীনি নিজৰা আছিল। তেখেতৰ সকলো কথাত বুদ্ধিমত্তাৰ পৰিচয় পোৱা গৈছিল। তেখেতে জগত আৰু ইয়াৰ ৰমক জমকলৈ উদাসীন আছিল আৰু ৰাতিৰ নিৰ্জনতাৰ সৈতে প্ৰেম ৰাখিছিল। তেখেত (ৰাঃ)বৰ কান্দোতা আৰু বৰ চিন্তা-ভাৱনা কৰা মানৱ আছিল। তেখেতে বৰ সাধাৰণ পোছাক আৰু বৰ সাধাৰণ আহাৰ আদি পছন্দ কৰিছিল। তেখেতে আমাৰ মাজত আমাৰ দৰেই সাধাৰণ মানুহৰ দৰে থাকিছিল। আমি প্ৰশ্ন কৰিলে তেখেতে তাৰ উত্তৰ দিছিল আৰু কোনো ঘটনা সম্পৰ্কে সুধিলে সেয়া বুজাই কৈছিল। খোদা তা'লাৰ শপত ! ইয়াৰ ওপৰিও আমাৰ আৰু তেখেতৰ মাজত প্ৰেমময় সম্পৰ্ক আছিল কিন্তু আমি তেখেতৰ ভীস্ময় পূৰ্ণ প্ৰতিভা সম্পন্ন ব্যক্তিত্বৰ কাৰণে তেখেতৰ লগত কথা বতৰা কম পাতিছিলোঁ। তেখেতে ঈমানদাৰ লোকক বৰ সন্মান কৰিছিল আৰু মিচকিন (অতি দৰিদ্ৰ) সকলক নিজৰ ওচৰতে ঠাই দিছিল। কোনো শক্তিশালী লোকেও এয়া সাহস কৰিব পৰা নাছিল যে নিজৰ ফালৰ এটা সৰু কথা এখেত (ৰাঃ)ক মনাই ল'ব পাৰিব আৰু কোনো দুৰ্বল ব্যক্তিয়েও এখেত (ৰাঃ)ৰ ন্যায় বিচাৰৰ পৰা বিমুখ হোৱা নাছিল। খোদা তা'লাৰ শপত ! কোনো কোনো সময়ত মই দেখিছো যে যেতিয়া ৰাতি ধলপুৱা দিছিল আৰু তৰাবোৰ নেদেখা হ'বলৈ লৈছিল যে যেনেকৈ সাপে দংশন কৰা লোক কঁপি থাকে আৰু দুঃখ বেদনা ক্লেষ্ট হৃদয় ভাঙি যোৱা চিন্তাযুক্ত লোকৰ দৰে কান্দিছিল আৰু কৈছিল হে দুনিয়া ! তুমি যোৱা মোৰ সলনি বেলেগ কাৰোবাক প্ৰবঞ্চনা কৰাগৈ। কিয়, তুমি মোৰ বন্ধু হোৱানে যে মোক শুধৰণীৰ বাট দেখুৱাই দিছা। তুমি যি বিচৰা সেয়া কেতিয়াও নহ'ব কেতিয়াও নহ'ব। মই দেখোন তোমাক তিনি তালাক দি দিছো, যাৰ পিছত আৰু শুধৰাই লোৱা নহয় কাৰণ তোৰ বয়স কম (সময় কম) আৰু তই নিৰৰ্থক। হায়! বাটৰ

সম্বল বহুত কম আৰু দীঘলীয়া বাট আৰু দুৰ্গম বাট। এই কথাবোৰ শুনি আমিৰ মুৱাবিয়াই কান্দি উঠিছিল আৰু কৈছিল- আল্লাহ আবুল হাচানৰ ওপৰত দয়া কৰক, খোদা তা'লাৰ কছম! তেখেত এনেকুৱাই আছিল। হে জাৰাৰ! আলিৰ মৃত্যুত তুমি কেনে শোক পাইছিলা ? জাৰাৰ উত্তৰত কৈছিল, সেই মহিলাজনীৰ দৰে শোক পাইছিলো যাৰ কোলাত তাৰ সন্তানক কাটি পেলোৱা হয়।

হজৰত মছীহ মাওউদ (আঃ)য়ে হজৰত আলি (ৰাঃ)ৰ গুণাৱলী বৰ্ণনা কৰোঁতে কৈছে, ইয়াৰ মাজত বিন্দু পৰিমাণও সন্দেহ নাই যে হজৰত আলি (ৰাঃ)য়ে সত্যান্বেষীৰ উৎস স্থল আছিল আৰু দানৰ দৃষ্টান্ত বিহীন আদৰ্শ আৰু খোদাৰ বান্দা সকলৰ বাবে হুজ্জাতুল্লাহ (আল্লাহৰ এক দলিল) আছিল আৰু নিজৰ সেই সময় ছোৱাত সকলো মানৱৰ মাজত উত্তম মানৱ আৰু দেশ আলোকিত কৰাৰ বাবে আল্লাহৰ কিৰণ স্বৰূপ আছিল।

হজৰত আলি (ৰাঃ) তাকৱাদাৰ পবিত্ৰ হৃদয় আৰু সেইসকল লোকৰ মাজত এজন আছিল, যিসকলে দয়ালু খোদাৰ দৰবাৰত আটাইতকৈ বেছি প্ৰিয় পাত্ৰ হয় আৰু তেখেতে সম্প্ৰদায়ৰ মুৰব্বী লগতে যুগৰ চৰদাৰ সকলৰ এজন আছিল। তেখেতে বিজয়ী খোদাৰ এজন সিংহ পুৰুষ আছিল। দয়ালু খোদাৰ বীৰ পুৰুষ, দানশীল, পৱিত্ৰ চেতা আছিল। তেখেত (ৰাঃ) এনেকুৱা অন্যতম বীৰ আছিল,যিয়ে ৰণ প্ৰাঙ্গনত কেতিয়াও নিজৰ ঠাই এৰি দিয়া নাছিল; যদিও সন্মুখত আহি শত্ৰুৰ দল এটা উপস্থিত হৈছিল। তেখেত (ৰাঃ)য়ে গোটেই জীৱন দৰিদ্ৰতাৰ মাজত পাৰ কৰিছিল আৰু মানৱ কুলৰ তাকৱাৰ শীৰ্ষ স্থান দখল কৰিছিল। তেখেত মৃদু ভাষী আৰু সুললীত কণ্ঠৰ লোক আছিল। তেখেতৰ ভাষণে লোকৰ হৃদয় স্পৰ্শ কৰি গভীৰতাত ঢুকি পাইছিলগৈ। যাৰ ফলত লোকৰ হৃদয়ৰ মামৰ নিকা হৈ পৰিছিল। আৰু দলিল প্ৰমাণৰ কিৰণে সিহঁতৰ চেহেৰা উজ্জ্বল হৈ উঠিছিল। তেখেত (ৰাঃ)য়ে অসহায় দুঃখ কষ্টত জৰ্জৰিত সকলক সহানুভূতি দেখুৱাই সাহস দিছিল আৰু অলপতে সন্তুষ্ট আৰু দৰিদ্ৰক আহাৰ কৰোৱাৰ আদেশ দিছিল। হজৰত আলি (ৰাঃ)ক কোৰ-আনৰ সাৰমৰ্ম বুজিবলৈ এক আচৰিত জ্ঞান দান কৰা হৈছিল।

মই জাগ্ৰত অৱস্থাতেই তেখেতক দেখিছো আৰু মই তেখেতক স্ৰষ্টাত বিশ্বাসী আৰু সৃষ্টিকুলত দৃঢ় আৰু আত্মবিশ্বাসী; শীতল মগজুৰ অধিকাৰী এক নুৰ (আলোক) দেখিবলৈ পাইছো। মোৰ এই কাশ্‌ফ জাগ্ৰত অৱস্থাৰ কাশ্‌ফ আছিল। মোৰ সৈতে হজৰত আলি আৰু হজৰত হুছেইন (ৰাঃ)ৰ এটা সুন্দৰ মিল আছে আৰু এই মিল (সাদৃশ্য)ৰ গূঢ়াৰ্থ পূব আৰু পশ্চিমৰ পালন কৰ্তাৰ বাহিৰে কোনেও নাজানে। মই হজৰত আলি (ৰাঃ)আৰু তেখেতৰ দুয়ো পুতেকক ভাল পাওঁ আৰু যিয়ে তেওঁলোকৰ লগত হিংসা কৰে, তেওঁক মই হিংসা কৰো। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইখিনিতেই আজি হজৰত আলি (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা সামৰিলো। ইনশা আল্লাহ আগলৈ আৰু বৰ্ণনা হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবা জুমাৰ শেষত কয় যে ইনশা আল্লাহ নমাজে জুমাৰ পিছত এটা নতুন টি.ভি. চ্যানেল খোলা হ'ব; য'ত ২৪ ঘণ্টা জুৰি ব্ৰডকাষ্ট হ'ব। এই চ্যানেল এম,টি.এ ঘানা নামেৰে খোলা হ'ব। এয়া ঘানাত ডিজিটেল প্লেট ফাৰ্মত ২৪ ঘণ্টা প্ৰচাৰ হোৱা নতুন দেশীয় টি.ভি চ্যানেল হ'ব। যিটো ছেটেলাইট ডিচ নোহোৱাকৈয়ে সাধাৰণ আয়ৰআয়লৰ জৰিয়তে দেখিব পৰা যাব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তান আৰু আলজেৰিয়াৰ বন্দী সকলৰ বাবে দোৱাৰ তেহেৰিক কৰি কয় যে বিশেষ ভাৱে দোৱা কৰক। আল্লাহ তা'লা যেন তেওঁলোকক মুক্তিৰ বন্ধৱস্থ কৰি দিয়ে। পাকিস্তানৰ সাধাৰণ পৰিস্থিতি পৰিবেশৰ বাবে দোৱা কৰিব,আল্লাহ তা'লা আহমদী সকলক তাত শান্তিত জীৱন-যাপন কৰাৰ সৌভাগ্য দান কৰক। আহমদীয়তৰ বিৰুদ্ধবাদী সকলক জ্ঞান,বিবেক,(প্ৰজ্ঞা) দান কৰক। যদি সেয়া নহয় তেন্তে তেওঁলোকৰ লগত আল্লাহ তা'লাৰ যি আচৰণ প্ৰদৰ্শন কৰিবলৈ আছে সেয়া জাৰি কৰক যাতে আমি অতি সোনকালে বিৰুদ্ধবাদী সকলৰ হাতৰ পৰা মুক্তি পাব পাৰো। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئٰاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR [aba] 15 JANUARY 2021**

# BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................................................
.............................................................................................................................................
.............................................................................................................................................
.............................................................................................................................................
.............................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**